ড° গকুল গগৈ, সহকাৰী অধ্যাপক, এম.চি.কলেজ

# অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি

আমি জানোঁ যে বিশিষ্ট ধ্বনিকে বৰ্ণ বুলি কোৱা হয়। কোনো এটা ভাষাত উচ্চাৰিত ধ্বনিসমূহৰপৰা একে গুণবিশিষ্ট ধ্বনিসমূহক চিনাক্ত কৰি একোটা গোটতঅন্তৰ্ভুক্ত কৰা হয় আৰু বিৰোধ নথকা সমগোত্ৰীয় ধ্বনি বা ধ্বনিসমষ্টিক বিশিষ্ট ধ্বনি বা বৰ্ণ বোলা হয়।

অসমীয়া ভাষাত আঠোটা বিশিষ্ট স্বৰধ্বনি বা স্বৰবৰ্ণ পোৱা যায়। সেই কেইটা হৈছে — ই, এ’, এ, উ, ও, অ’, অ আৰু আ। ইয়াৰে তিনিটা প্ৰান্তীয় বা সন্মুখ, এটা কেন্দ্ৰীয় আৰু চাৰিটা মূলীয় বা পশ্চ স্বৰবৰ্ণ। ওঁঠৰ আকৃতি অনুসৰি সংবৃত, বিবৃত আদি ধৰণেও ভাগ কৰা হয়। আনহাতে প্ৰান্তীয় বা সন্মুখ স্বৰবৰ্ণবোৰ বিবৃতৌষ্ঠ, কেন্দ্ৰীয় স্বৰবৰ্ণটো অৰ্ধসংবৃত আৰু মূলীয় স্বৰবৰ্ণবোৰ সংবৃতৌষ্ঠ। সেইদৰে স্বৰবৰ্ণসমূহক জিভাৰ অৱস্থান অনুসৰি উচ্চ, উচ্চমধ্য, নিম্নমধ্য আৰু নিম্ন —এইদৰে বিভাজন কৰা হৈছে। উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি এই স্বৰবৰ্ণসমূহৰ তালিকা এখন তলত প্ৰস্তুত কৰি দেখুওৱা হৈছে। প্ৰতিটো বৰ্ণৰ লগতে বন্ধনীৰ ভিতৰত নিদিষ্ট বৰ্ণটোৰে প্ৰতিনিধিত্ব কৰা আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিকো তালিকাভুক্ত কৰা হৈছে —

| ওঁঠৰ আকৃতি অনুসৰি → | বিবৃতৌষ্ঠ | | সংবৃতৌষ্ঠ |
|---|---|---|---|
| জিভাৰ অংশবিশেষৰ স্থান অনুসৰি →<br>জিভাৰ অৱস্থান অনুসৰি<br>↓ | সন্মুখ বা প্ৰান্তীয় | কেন্দ্ৰীয় বা মধ্য | পশ্চাৎ |
| উচ্চ | ই (i) | | উ (u) |
| উচ্চমধ্য | এ’ (e) | | ও (ʊ) |
| উচ্চ নিম্নমধ্য | এ (ɛ) | | অ’ (o) |
| নিম্নমধ্য | | | অ (ɔ) |
| নিম্ন | | আ (a) | |

**স্বৰবৰ্ণসমূহৰ ধ্বনিগুণ ঃ**

/ই/ ঃ সংকীৰ্ণ প্ৰান্তীয় বিবৃত

/এ’/ ঃ মধ্য সংকীৰ্ণ প্ৰান্তীয় বিবৃত

/এ/ ঃ মধ্য বিস্তীৰ্ণ প্ৰান্তীয় বিবৃত

/উ/ ঃ সংকীৰ্ণ পশ্চ সংবৃত

/অ/ ঃ অৰ্ধ বিস্তীৰ্ণ পশ্চ অৰ্ধ সংবৃত

/অ'/ ঃ প্ৰায় অৰ্ধ সংকীৰ্ণ পশ্চ সংবৃত

/ও/ ঃ অৰ্ধ সংকীৰ্ণ পশ্চ সংবৃত

/আ/ ঃ বিস্তীৰ্ণ কেন্দ্ৰীয় অৰ্ধ বিবৃত

**অসমীয়া স্বৰবৰ্ণ আৰু প্ৰতিনিধিত্বকাৰী আখৰ ঃ**

| **বৰ্ণ** | **আখৰ** | **বিকল্প ৰূপ** |
|---|---|---|
| /ই/ | ই, ঈ | ি, ী |
| /উ/ | উ, ঊ | ু, ূ |
| /এ'/ | এ | ে |
| /এ/ | এ | ে |
| /ও/ | ও | ো |
| /অ'/ | অ' | ' |
| /অ/ | অ | — |
| /আ/ | আ | া |

অসমীয়া স্বৰবৰ্ণবোৰৰ প্ৰতিনিধিত্ব কৰা আখৰবোৰৰ অ, এ'-ৰ বাহিৰে বাকীবোৰৰ একোটাকৈ বিকল্প ৰূপো আছে।